আমাৰ অসম 22 নৱেম্বৰ ২০০৪ 1999

# বাণিজ্য শিক্ষাৰ সম্পৰ্কত আলোচনা

গুৱাহাটী □ ২১ নৱেম্বৰ

গুৱাহাটী জিলা পুথিভঁৰালত অলপতে কে চি দাস কমাৰ্চ কলেজৰ উদ্যোগত 'কমাৰ্চ এডুকেশ্যন এণ্ড জব মাৰ্কেট' শীৰ্ষক এখনি আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। আলোচনাচক্ৰখনি উদ্বোধন কৰে শিক্ষামন্ত্ৰী থানেশ্বৰ বড়োৱে। গুৱাহাটীৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ উমেশ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অভ্যাগতসকলক আদৰণি জনায় মহাবিদ্যালয়ৰ অধ্যক্ষ হিতেশ ডেকাই।

আলোচনাচক্ৰৰ প্ৰথম অধিৱেশনখন গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ ভগৱান চন্দ্ৰ লহকৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক তথা বাণিজ্য গুৰু ডঃ সুজিত সিকদাৰে মূল ভাষণ প্ৰদান কৰে। প্ৰথম অধিৱেশনত গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ ডঃ প্ৰণৱ কুমাৰ ভট্টাচাৰ্য, দেৱপ্ৰসাদ হাজৰিকা, জয়শ্ৰী ডামপাল চৌধাৰী আৰু ডঃ ধৰণীধৰ মালী প্ৰমুখ্যে কেবাজনেও গৱেষণা-পত্ৰ পাঠ কৰে।

আলোচনাচক্ৰৰ দ্বিতীয় অধিৱেশনত সভাপতিত্ব কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক ডঃ দেৱদাস ভৰালীয়ে। এই অধিৱেশনত ডঃ নয়ন বৰুৱা আৰু অপৰাজিতা বৰকটকী, গৌৰগোপাল বণিক, ডঃ আৰ বৰবৰা, বিজয় কলিতা আৰু ৰুণুমী লহকৰ আদিয়ে গৱেষণা-পত্ৰ পাঠ কৰে।

সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে বিশিষ্ট শিক্ষাবিদ, বাণিজ্য গুৰু ডঃ অনিল কুমা শৰ্মাই। শেষত কে চি দাস কমাৰ্চ কলেজৰ অধ্যাপক বিজয় কলিতাই আলোচনাখনি সাফল্যমণ্ডিত কৰাৰ বাবে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়।



গুৱাহাটীৰ কে চি দাস কমাৰ্চ কলেজৰ উদ্যোগত অলপতে আয়োজিত 'কমাৰ্চ এডুকেশ্যন এণ্ড জব মাৰ্কেট' শীৰ্ষক আলোচনাচক্ৰখন বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে শিক্ষামন্ত্ৰী থানেশ্বৰ বড়োৱে, গুৱাহাটীৰ জিলা পুথিভঁৰালত। কাষত গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ উমেশ চন্দ্ৰ শৰ্মা আৰু কে চি দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হিতেশ ডেকা